# ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়

## আলোচনী

২০০৫-২০০৬ বৰ্ষ

TYAGBIR HEM BARUAH COLLEGE MAGAZINE

SESSION 2005-2006

ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়

TYAGBIR HEM BARUAH COLLEGE



সম্পাদক ঃ দিপাংকৰ বৰা

# আধ'ৰুৱা কলেজীয়া শিক্ষা ঃ একান্ত ব্যক্তিগত অনুভৱ

*গনেশ পাঠক*
*উপাধ্যক্ষ*

**'NO knowledge without college'** প্ৰচলিত এই বাক্য শাৰীত মানৱ সভ্যতাৰ ইতিহাসত উচ্চ শিক্ষা বা কলেজীয়া শিক্ষাৰ অৱদান কিমান অপৰিসীম তাক যথাৰ্থ ৰূপত অনুভৱ কৰা হয়। সামগ্ৰিক ভাবে উচ্চ শিক্ষাৰ দিশত পিচপৰি থকা অসমত, যোৱা শতিকাৰ শেষাৰ্দ্ধৰ সময়খিনিক কলেজ প্ৰতিষ্ঠাৰ যুগ বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। বৰ্ত্তমানৰ প্ৰতিস্থিত সৰহভাগ কলেজেই এই সময়চোৱাত অসমত স্থাপিত হৈছিল। জামুগুৰিৰ ইতিহাসত ২৭-০৫-১৯৬৩ চনৰ দিনতো এক বিশেষ গুৰুত্বপূৰ্ণ দিন হিচাবে চিহ্নিত হৈ আছে। কিয়নো এই তাৰিখতে জামুগুৰিত কলেজ প্ৰতিস্থা কৰাৰ বাবে ৰাইজে সৰ্বসন্মতভাৱে সিদ্ধান্ত লৈ ১৬-৭-১৯৬৩ তাৰিখৰ পৰা শ্ৰেণী কোঠাৰ পাঠদান আৰম্ভ কৰা হয়। প্ৰাৰম্ভিক পৰ্যায়ৰ বিপৰ্যয়সমূহ অতিক্ৰমী বৰ্তমানৰ ত্যাগবীৰ হেম বৰুৱা কলেজ এই সমগ্ৰ অঞ্চলটোৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাবে মূৰ দাঙি আছে।

উদ্যোক্তা সকলৰ মনৰ অভিলাষ পূৰ্ণ কৰিবলৈ প্ৰতিস্থা হোৱা এই কলেজৰ প্ৰসঙ্গত **NAAC Peer Team Report** (25, 26 Aug. 2004) এনেদৰে উল্লেখ কৰা হৈছে -

"The Tyagbir Hem Baruah College, Jamugurihat was established in 1963 by a collective effort of educated persons to promote higher education in a compertively under developed area of Assam. The Foundinng Fathers aim was to impart equality education to aspiring students for securing employment. They also wanted to impart value based education to promote universal brotherhood and national integration They further wanted to bring the woman falk of the unpriviledge class to filed of higher education.

The T.H.B. College came into existence as an affiliated college of Guahati University.Its campus has an area of 40.5 acres located in the Sonitpur district on the bank of river Brahmaputra in a rural setting. The college recieved University Grant Recognisation under 2f on 29.10.1969. It is a private college sustained by Grant-in- Aid scheme of Assam Government.

The establishment of the college opened up equal opportunities to the students of backward region of Assam who aspired for better social status through merit. Nodiscrimination is made by the college on the ground of race, gender, language, religion, cast, culture and physical disabilility. Since its establishment, thecollege has succeded in spreading higher education In Art and Science up to the graduate level and thereby contributing to the manpower grouthof the state. The college has made an impact on the socio-economic life of the people of central Assam as a promising co-educational college. It has broken the barrier of retience by drawing a large number of girl studentsof the portals of higher education."

এটি বিশেষ অঞ্চলত যি বিলাক ৰাজহুৱা বা সামাজিক অনুষ্ঠানৰ মাজেদি সমগ্ৰ অঞ্চল একাত্মভাবে

বান্ধ খাই থাকে সেই কথা আলোচনা কৰিলে জামুগুৰিত কলেজখনৰ কথাই বৰ্তমান সকলোৰে মনলৈ আহে, যিহেতু অঞ্চলটোৰ ই একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান। উচ্চ শিক্ষা সৰহভাগ ছাত্ৰৰে কলেজীয়া শিক্ষাই ইতি পেলায়। ত্যাগবীৰ হেম বৰুৱা কলেজ বৰ্তমানলৈকে এহেজাৰৰো ওপৰ ছাত্ৰক স্নাতক ডিগ্ৰী লোৱাত সহায় কৰি অসমৰ শৈক্ষিক বৌদ্ধিক আৰু প্ৰশাসনিক দিশত যোগদান কৰি দেশ আৰু জাতিৰ সেৱাত নিজক উচৰ্গা কৰাব পাৰিছে। এয়া কলেজখনৰ বাবে অতি শুভ লক্ষণ আৰু ইয়াৰ দ্বাৰা প্ৰতিস্থাপক সকলৰ উদ্দেশ্য যৎকিঞ্চিত হ'লেও সফল হৈছে বুলিব পাৰি। আমাৰ আলোচনাৰ প্ৰধান লক্ষ্য হ'ল কলেজলৈ নাম ভৰ্ত্তি কৰিবলৈ অহা ছাত্ৰ-ছাত্ৰী আৰু শেষান্ত পৰীক্ষাত উত্তীৰ্ণ গড়ৰ যিটো পাৰ্থক্য সি অতি দুখ লগাকৈ ভয়াবহ। কিছু বছৰ ধৰি কলেজত প্ৰথম বাৰ্ষিকৰ তিনিশৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্তি কৰে যদিও শেষত পৰীক্ষাত কৃতকাৰ্য হৈ ওলাই যোৱা ছাত্ৰ-ছাত্ৰী নিচেই কম। পৰিসংখ্যাগত দিশতো উল্লেখ নকৰিলেও এই কথা ক'ব পাৰি যে পৰীক্ষাৰ ফলাফল উৎসাহজনক হৈ থকা নাই। সেয়ে এই সম্পৰ্কে বিশেষভাৱে চিন্তা কৰাৰ প্ৰয়োজন।

আৰ্থিক দীনতা উচ্চ শিক্ষাৰ প্ৰতি অনিহা বা অন্যান্য বহু কাৰণত কলেজত উচ্চ শিক্ষাৰ লাভৰ উদ্দেশ্যে নাম ভৰ্তি কৰা বহু ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষা সম্পূৰ্ণ কৰাৰ পৰা বঞ্চিত হৈ আহিছে। প্ৰতিজন ছাত্ৰৰ গড় খৰচ **Self Apprisal Report** ত উল্লেখ কৰা মতে ১৩,০৬৮.০০ টকা। অসমৰ দৰে অনগ্ৰসৰ ৰাজ্যত প্ৰতিজন ছাত্ৰৰ বাবে ইমান টকা খৰচ কৰা হয় যদিও সেই কথা সংশ্লিষ্ট ছাত্ৰ-ছাত্ৰীয়ে বা অন্যান্য সকলে অনুভৱ কৰিব নোৱাৰে যেন বোধ হয় আৰু এই টকাৰ (যদিও পৰ্যাপ্ত বুলিব নোৱাৰি) ফিৰৎ মূল্য পোৱা নাযায় যদিহে এই প্ৰক্ৰিয়া আধৰুৱা হয়। কৃতকাৰ্যতা লাভ কৰা সকলৰ গড় খৰচ উলিয়ালে ইয়াৰ পৰিমাণ বহুত বাঢ়িব। অনুষ্ঠান যিসকলে প্ৰতিস্থা কৰিছিল সেই সকলে যি উদ্দেশ্যৰে ইয়াৰ গঢ় দিছিল সেই কথা বৰ্তমানৰ সুবিধা পোৱাজনে উপলব্ধি নকৰিলে প্ৰকৃততে সেই মহৎ উদ্দেশ্যৰে প্ৰতিস্থা কৰি থৈ যোৱা উচ্চ শিক্ষাৰ অনুষ্ঠানৰ মৰ্যাদা ৰক্ষা নকৰাহে বুজাব।

কলেজক কেন্দ্ৰ কৰি চৌপাশৰ অঞ্চলটো আৰ্থ-সামাজিক অৱস্থালৈ মন কৰিলে দেখা যায় যে প্ৰায় সৰহ সংখ্যক লোকৰ অৱস্থা আকালো নাই ভৰালো নাই ধৰণৰ। অৱশ্যে কিছু লোকৰ আৰ্থিক অৱস্থাই দৰিদ্ৰ সীমা ৰেখাৰো তলতহে অৱস্থান কৰিব। তেনে অৱস্থাৰ পৰা সৰহ ভাগ ছাত্ৰ-ছাত্ৰী (অঞ্চলটোৰ ভালেমান ছাত্ৰ-ছাত্ৰী বিভিন্ন কাৰণত আন ঠাইত অধ্যয়ন কৰিবলৈ যায়) উচ্চ শিক্ষা লাভ কৰিবলৈ পৰম আশালৈ কলেজত নাম ভৰ্তি কৰে। কিন্তু বিভিন্ন কাৰণত ইয়াৰ মাজৰে বহুতে কলেজীয়া শিক্ষা আধৰুৱা কৈ এৰিব লগা হয়। কাৰণ সমূহৰ ভিতৰত পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰা বা ঘৰে পঢ়াৰ সুবিধা দিবলৈ অপৰাগ হোৱা, ছাত্ৰীৰ ক্ষেত্ৰত বিবাহ, অন্য কিছুমানৰ ক্ষেত্ৰত অনিহা বা উচ্চ শিক্ষাৰ প্ৰতি মোহভঙ্গ আদি কাৰণ দেখিবলৈ পোৱা যায়। একোটা জীৱন গঢ়িবলৈ যি বিলাকে অনুষ্ঠানে বিশেষ ভাৱে সহায় কৰে তাৰ ভিতৰত কলেজ অন্যতম। ১৮-২০ বছৰীয়া ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নৰ সুবিধা পোৱা এই কলেজ নামৰ অনুষ্ঠানটিত সাধাৰণে শৈক্ষিক আৰু মানসিক দিশত প্ৰাপ্ত-বয়স্ক হোৱাৰ সুবিধা পায়। নিজৰ, পৰিয়ালৰ, সমাজৰ, দেশৰ, জাতি সম্পৰ্কে তেওঁলোকে এক স্পষ্ট ধাৰণা ল'ব পৰা হয়। সেয়েহে নিজক প্ৰতিষ্ঠা কৰিবলৈ পোৱা সুবিধাৰ সদব্যৱহাৰ কৰিব নোৱাৰাটো আন যিজনৰ বাবেই নহয় সমগ্ৰ দেশ-জাতিৰ বাবেই ক্ষতিকাৰক। অনুষ্ঠানৰ যিমানখিনি সা-সুবিধা থাকিব লাগে তাৰ প্ৰতিও মনযোগ দিয়া প্ৰয়োজন। কিন্তু আটাইতকৈ প্ৰয়োজনীয় হ'ল প্ৰাপ্য সুবিধাসমূহ গ্ৰহণ কৰি তাৰ সদব্যৱহাৰ কৰিব পৰাটো।

কলেজত নামভৰ্ত্তি কৰিবলৈ অহা ছাত্ৰ-ছাত্ৰীসকলৈ এটি বিনম্ৰ অনুৰোধ জনাব বিচৰা হৈছে এই

বুলিয়েই যে কথাখিনি সংশ্লিষ্ট সকলে ভাবি চাব। জীৱন গঢ়াৰ এই শেষ সুযোগকণৰ যাতে সদব্যৱহাৰ কৰিব পৰা যায় তাৰ প্ৰতি সংশ্লিষ্ট সকলোৱে বিশেষ মনোযোগ দিয়ক। যি বিলাক অসুবিধাই কলেজীয়া শিক্ষা সম্পূৰ্ণ কৰাত বাধাৰ সৃষ্টি কৰে তাক নিৰূপন কৰিব লাগিব। ব্যক্তিগত অসুবিধাসমূহ নিজে সমাধান কৰিব নোৱাৰিলে আনৰ ওচৰ চাপক। যি বিলাক সামাজিক বা অনুষ্ঠানিক সমস্যা হিচাপে গণ্য হ'ব তাক আঁতৰ কৰিবলৈ আমি সকলোৱেই একেলগে যত্নপৰ হ'ব লাগে। মুঠতে সন্মুখত দেখা দিয়া সমস্যা সমূহ আঁতৰ কৰি আমি কলেজীয়া শিক্ষা সম্পূৰ্ণ কৰিবলৈ দৃঢ়তা দেখুৱাব লাগিব। কলেজীয়া জীৱনৰ পিছত যিখন সমাজত আমি বাস কৰিম সেই সমাজৰ আমি যাতে কোনো বোলা নহও তাৰ প্ৰতি বিশেষ ধ্যান দিবৰ হ'ল। সমাজ গঢ়াৰ বা সেই সমাজৰ সেৱক হ'বলৈ যি অৰ্হতাৰ প্ৰয়োজন সেই অৰ্হতা কলেজীয়া শিক্ষাৰ জৰিয়তে গ্ৰহণ কৰিব বুলি আশা ৰখা হৈছে। শেষত উল্লেখ কৰিব পাৰি যে আটাইতকৈ ডাঙৰ সমাজ সেৱা হ'ল নিজক এজন উপযুক্ত নাগৰিক হিচাপে গঢ়ি তোলাহে।

এই প্ৰবন্ধটিত আধৰুৱা কলেজীয়া শিক্ষাৰ আলোচনাৰ পাতনি মাত্ৰ মেলা হৈছে। এই বিষয়ে চিন্তা চৰ্চাৰ অতীৱ প্ৰয়োজন আছে। সুধী সমাজে এই বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰিব বুলি আশা ৰখা হৈছে।(যি সকলে বিভিন্ন কাৰণত কলেজীয়া শিক্ষা অসম্পূৰ্ণ কৰাৰ বাটত অনিচ্চাহত ভাবেও আগবাঢ়িব লগা হৈছে সেই সকলৰ উদ্দেশ্য এই প্ৰৱন্ধটি উৰ্চগা কৰা হ'ল।

*কোনে কি জাতিৰ ভগবানে তাৰ খবৰ নাৰাখে, কোনে কি কৰে তাৰহে খবৰ ৰাখে।*

- গুৰুনানক

# স্মৃতিৰ হাইতালত ইটো সিটো ....

মৃন্ময় কুমাৰ নাথ
কম্পিউটাৰ প্ৰগেমাৰ

বাতৰি কাকত - আলোচনীত লেখামেলা কৰিবলৈ এৰাৰে পৰা আমিও আন দহজনৰদৰেই সাধাৰণ পঢ়ুৱৈত পৰিণত হ'ব লগা হয়, সামৰি থব লগীয়া হয় দীৰ্ঘদিনীয়া লগৰী কলমটো ....।

সময়ৰ সৰ্পিল গতিৰ মাজেৰেই আহে বিভিন্ন পৰিৰ্বৰ্ত্তনৰ ধাৰা আৰু সেই ধাৰাই সামৰি নিছিল আমাৰ জীৱনৰ পথ। কাকতত বাতৰি পৰিবেশন অথবা আলোচনীৰ পৃষ্ঠাত লেখা-মেলা কৰাৰ পৰা আঁতৰি আহি ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়ত কম্পিউটাৰ প্ৰগেমাৰ হিচাপে জীৱনক আন এটি ৰূপ দান কৰিব লগা হয়। সম্প্ৰতি কামৰ হেঁচাৰ প্ৰকোপত বহুখিনি ত্যাগ কৰিব লগা হৈছে। তাৰ ভিতৰত দুৰ্ভাগ্যজনক ভাবে লেখামেলাৰ দিশটোৰো অন্তৰভূক্তি ঘটিল।

শেষতীয়াভাবে অসম কবি সন্মিলনৰ নৱম দ্বি-বাৰ্ষিক অধিবেশনৰ স্মৃতিগ্ৰন্থখনিৰ সম্পাদনাৰ দায়িত্ব ল'ব লগা হয়। হয়তো সেইবাবেই শ্ৰদ্ধাৰ খঞ্জনচাৰে মহাবিদ্যালয় আলোচনীৰ বাবে কিবা এটা পাৰিলে লিখিবলৈ কৈছিল। ..... কিন্তু কি লিখো, কেনেকৈ লিখো ? কি লিখিলেনো পঢ়ি ভাল লাগিব - ইত্যাদি কথাবোৰে মনত উকমুকাই থাকোতেই মনলৈ ভাহি আহিছে মহাবিদ্যালয়ৰ কিছুমান পুৰণি কথা। স্মৃতিত দোলা দিছে কিছুমান অসংলগ্ন কথাই য'ত নাই চন-তাৰিখ-বাৰ ......।

...... তেতিয়া হয়তো কলেজখনৰ কৈশোৰ পাৰ হৈছিলহে মাথোন, আমিও আছিলো তৃতীয় শ্ৰেণীৰ ছাত্ৰ। পিতৃ প্ৰয়াত পূৰ্ণ নাথদেৱ মহাবিদ্যালয় পৰিচালনা সমিতিৰ দায়িত্বত আছিল। সেয়েহে মাহটোৰ সম্ভৱত দ্বিতীয় সপ্তাহত মহাবিদ্যালয়ৰ মুখ্য সহায়ক কেশৱ শইকীয়া খুৰাই টকাৰ মোনা এটা লৈ তেজপুৰৰ বেঙ্কৰ পৰা আনি সন্ধ্যা আমাৰ ঘৰত থ'বলৈ দিয়ে আৰু পিতৃৰ আদেশমতে সেই টকাৰ মোনাটো আলমাৰীৰ ভিতৰত থৈ দিও - এইখিনিতেই হৈছিল মহাবিদ্যালয়ৰ সৈতে আমাৰ সম্বন্ধৰ সূত্ৰপাত। এনেদৰে পাৰ হৈছিল বহুদিন .....।

.... সম্ভৱত আশীৰ দশকৰ আৰম্ভণিৰ কথা -। মহাবিদ্যালয়খনৰ পৰীক্ষা পাতিলেই আমাৰো ব্যস্ততা আহি পৰে। যিদৰে পৰীক্ষাত কলেজখনে ৰুটিন ফল' কৰে সেই একেখন ৰুটিন আমিও ফলো কৰিছিলো যদিও প্ৰয়োজনীয়তাৰ তাগিদা কিছু বেলেগ। জামুগুৰিৰ মডেল স্কুল ছুটি হোৱাৰ লগে লগে ভাত কেইটা খাই সাজু হওঁ- আমাৰ এম্বেচাদৰ গাড়ীখনৰে পৰীক্ষাৰ বহীখিনি আনি জামুগুৰি থানাত জমা কৰিব লাগে। তাত আমাৰ দায়িত্ব আছিল গধুৰ - আগৰ ছিটত চালক(আলি)ৰ কাষত বহি যাব লাগে। হয়তো এই দায়িত্ব দুটামান বছৰ পালন কৰিছিলো। মনত আছে তেতিয়া অধ্যক্ষৰ কাৰ্যালয় বৰ্তমানৰ ছাত্ৰ একতা সভাৰ কোঠাটোত আছিল।

.... আৰু এটা কথা মনলৈ আহিছে - বৰ্তমান জামুগুৰি থানা থকা ঠাইখনলৈ মহাবিদ্যালয়ে ভ্ৰাম্যমান থিয়েটাৰ আনে। তাতো আকৌ ব্যস্ততাৰ আকাল নাই - প্ৰথম দিনাই পুৰণি চিনাকি সুত্ৰে কেশৱ শইকীয়া খুৰাই মাজে মাজে কামত লগাই দিয়ে। কাউন্টাৰত টিকট দিব লাগে, তাকো গেলাৰীৰ টিকট। এটা টিকট দি ঘৰৰ পৰা নিয়া এলুমিনিয়ামৰ স্কুলীয়া বেগটোত পাঁচ টকা সুমুৰাই থ'লেই কাম শেষ। এনে ব্যস্ততাৰে চাৰিটা দিন

পিতৃ তুল্য ব্যক্তিসকলৰ লগত পাৰ কৰাৰ সৌভাগ্য হৈছিল। অৱশ্যে দ্বিতীয় দৰ্শনীত মোৰ বেহাই। আজিও মনত পৰে মহাবিদ্যালয়ৰ কৰ্মচাৰী নন্দেশ্বৰ খুৰাই মুল গেটত নিয়ৰত তিতি তিনি বেটাৰী টৰ্চটো লৈ ৰঙা চকু কেইটাৰে থিয় হৈ থকাৰ কথা আৰু মনত পৰে অৱসৰ গ্ৰহণ কৰা প্ৰৱক্তা শিৱেণ দাস খুৰা, তামুলী খুৰা আৰু বৰ্তমান উপাধ্যক্ষ গনেশ পাঠকচাৰে চাইকেল লৈ ঘৰমুৱা হোৱা সেই মুহূৰ্তবোৰ। লগতে মনলৈ আহিছে মেধিচাৰৰ এলফিল্ড মিনি বুলেটখনৰ কৰ্কষ শব্দটো। আজিও মন পুলকিত হয় সেই ক্ষণিক স্মৃতিবোৰৰে। স্মৃতিয়ে ঢুকি পোৱা মতে এটি ভ্ৰাম্যমান দলত দস্যুৰাণী ফুলনদেৱী নাটকখন আছিল। আজি বহুতেই হয়টো পাহৰিলে তেতিয়া দহৰ দেওনা পাৰ নোহোৱা সেই ল'ৰাটোৰ কথা ....।

এইখিনিতে মহাবিদ্যালয়ৰ বাবে আয়োজন কৰা উপহাৰ কুপন খেল এখনৰ কথাও মনলৈ আহিছে। তিনিটা ৰঙৰ কুপনবোৰৰ মূল্য আছিল দুটকা। ৰাজদূত মটৰ চাইকেল, বিজয় চুপাৰ স্কুটাৰ, আপট্ৰন টি,ভি, আদি আকৰ্ষণীয় উপহাৰৰে আয়োজন কৰা খেলখনৰ জামুগুৰি চেণ্টাৰৰ কাউন্টাৰত প্ৰায়ে সন্ধ্যা উপস্থিত আছিলো।

সম্প্ৰতি অৱসৰ গ্ৰহণৰ ফালে ধাৱমান হোৱা মহাবিদ্যালয় কাৰ্যালয়ৰ মুখ্য সহায়ক আৰু সহায়ক দেৱদা আৰু চন্দ্ৰদাই তাঁহানিতে চাইকেলৰে কাৰ্যালয়ৰ পৰা ঘৰলৈ উভতি যোৱাৰ পৰত আমাৰ ঘৰত প্ৰায়ে সোমাইছিল। দীঘলীয়া আমোদজনক কথাৰ মাজত দেৱদাৰ গোঁফৰ তলত মৰা অগতানুগতিক মৃদু হাঁহিটোৰ কথা প্ৰায়ে মনলৈ আহে। অৱশ্যে তেওঁৰ সেই হাঁহিতো আজিও আছে। শিক্ষা গ্ৰহণৰ বাবে দৰং মহাবিদ্যালয়লৈ যাব লগা হোৱাত কিছুদিনৰ বাবে মহাবিদ্যালয়খন তথা মহাবিদ্যালয়ৰ পৰিয়ালটিৰ সৈতে সম্পৰ্কৰ কিছু তাৰতম্য ঘটিলেও অসম কলেজ কৰ্মচাৰী সন্থাৰ অধিবেশনৰ সময়ত বহুখিনি সময় এই মহাবিদ্যালয়ত অতিবাহিত কৰাৰ সুবিধা লাভ কৰিছিলো। প্ৰৱক্তা প্ৰয়াত সত্যব্ৰত গোস্বামী খুৰাৰ উপৰিও বিভিন্নজনৰ সংষ্পৰ্শত পুণৰ পাৰ হৈছিল জীৱনৰ কেইটিমান গুৰুত্বপূৰ্ণ ক্ষণ। অধিবেশনখনিৰ সাংস্কৃতিক সন্ধ্যাৰ এটি ঘটনা আজিও মোৰ স্মৃতিৰ পটত সজীৱ হৈ আছে। সেই সময়ত আমি উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। সাংস্কৃতিক সন্ধ্যাত গীত পৰিবেশন কৰিবলৈ অহা সুকণ্ঠী গায়িকা অনাতাঁৰ শিল্পী ৰীণা বৰুৱাই মই চলোৱা গাড়ীখনত উঠি পৰিয়ালৰ সৈতে বিশ্বনাথ চাৰিআলিলৈ যাবলৈ ভয় কৰি মোৰ এম,ভি,আই, এ লোৱাদি ইন্টাৰভিউ লৈহে গাড়ীত উঠিছিল। শিল্পী গৰাকীৰ সেইদিনটোৰ কথা-বতৰাই আমাৰ লগত তেখেতসকলৰ এক মধুৰ সম্পৰ্ক গঢ়ি তোলাত সহায় কৰিলে। সেয়ে হয়তো সংবাদ জগতৰ লগত জড়িত হৈ থকা কালত কুমাৰ চানুৰ পৰা জুবিনলৈকে বহুতো শিল্পীক লগ পাইছিলো- কথা বতৰা পাতিছিলো, চাজু-ৰিতু বিকাশহঁতৰ লগত বন্ধুত্বৰে বহুতো সুমধুৰ সময় পাৰ কৰিলোঁ- কিন্তু হেম বৰুৱা কলেজত লগ পোৱা ৰীণা বাইদেউৰ সেইদিনাৰ স্মৃতিৰ এক সুকীয়া স্থান আজিও অব্যাহত থাকিল।

দুহেজাৰৰ প্ৰথমাৰ্দ্ধত ভাতৃপ্ৰতীম ৰিন্টু-বিজয়হঁত মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ দায়িত্বত থাকোতে কেইদিনমান মহাবিদ্যালয়খনলৈ গৈছিলো- মহাবিদ্যালয় সপ্তাহ, নৱাগত আদৰণি সভা আদিত উপস্থিত আছিলো সাংবাদিকৰূপে। কিন্তু তাৰ কেইবছৰমানৰ পিছতে দুহেজাৰ পাঁচ চনত মহাবিদ্যালয়খনে আমাৰ ৰূপতো সলনি কৰি পেলালে। সেই চনৰে পাঁচ জুলাই তাৰিখে অৰ্থাৎ চিজুছা পানীয়ে উটুৱাই নিয়াৰ দিনা মহাবিদ্যালয়ত যোগদান কৰো আৰু পিছদিনা কাৰ্যালয়ত উপস্থিত থাকিব নোৱাৰিলো। নিশাই কাকতৰ কাৰ্যালয়ৰ পৰা ফোন যোগে চিজুছাৰ ঘটনাটোৰ বিতং বাতৰি বিচাৰি ফোন কৰিলে। সেয়ে গোটেই দিনটো ফ'ৰ ক'ৰৰ অপাৰেছন কামাণ্ডেন্টৰ লগত বোকা বালিৰ মাজত খোজ কাঢ়ি ফুৰি সন্ধ্যা সংবাদদাতা ৰূপে সেৱা আগবঢ়োৱা দৈনিক

জনসাধাৰণ কাকতৰ সম্পাদক মনোজ কুমাৰ গোস্বামীক ফোন যোগে জনালো যে ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়ৰ চাকৰিত যোগদান কৰাৰ বাবে সংবাদ সেৱাৰ পৰা অব্যাহতি ল'ব খুজিছো। পিছদিনা চিজুছাৰ ঘটনাটোৰ বিষয়ে কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পোৱা বাতৰিটোৱেই সাংবাদিক জীৱনৰ অন্তিমটো সংবাদত পৰিণত হ'ল।

..... এক দীৰ্ঘ পৰিক্ৰমাৰ অন্ত পেলাই এইবাৰ যাত্ৰা আৰম্ভ কৰিলো জীৱনৰ আন এটি দিশলৈ। পূৱ ভৰলীপৰীয়া, আৰ্থিকভাৱে দৈন্য অথচ উচ্চ শিক্ষাৰ প্ৰৱল অনুৰাগী অগ্ৰজসকলৰ কায়িক আৰু মানসিক ত্যাগৰে গঢ় লৈ উঠা এই মহাবিদ্যালয়খনিলৈ সেৱা আগবঢ়াই জীৱন ধন্য কৰাৰ এক দুৰ্বাৰ আশাৰে সম্প্ৰতি আগুৱান হৈছে জীৱনৰ প্ৰতি পল অনুপল ....।

অতিথিৰ শিতানত

# কুসুমটোলা

ৰাম গোস্বামী
সেউজীয়া দেশ

অ' মোৰ কুসুমটোলা মৰম জানিবা
আশাকৰোঁ ভাল।
ডাক বঙলা জামুগুৰি মন মোৰ হকনগুৰি
লংচোৱাল নাহৰণী লংচোৱাল শিলিখাগুৰি,
উমাল জীপাল কুসুম বাগান
যেন মোৰ ককিলাৰ বান
ডাক বঙলাত ৰাতিটো অভয় মন
সমীপতে আমাৰ আশাৰ পৰাণ,
কবিতাৰ বান কবিতাৰ বান
আস্থাৰ ৰং দি ককিলা গান
অ' মোৰ কুসুমটোলা
ইমান ধুনীয়া তোমাৰ নাম
কুসুমটোলা কৰ্ চন্ তলা
অক্টোবৰৰ দুই ৰাতি দিনেৰে তিনি,
কলিজাক মোৰ জামুগুৰি জিনি;
অ' মোৰ কুসুম আকৌ আহিম দেই
মৰমৰ কুসুম তোমাক সদায় মনত ৰাখিম
জীপাল উমাল অ' মোৰ ৰাঙদৈ কুসুম
জয় জয়তু কুসুম এই এৰিলো ডাক বঙলা



# পৃথিৱীখন মানুহৰেই হ'ল

✍ দিলীপ কুমাৰ ভূঞা
প্ৰৱক্তা, অৰ্থনীতি বিভাগ

প্ৰকৃতিৰ বুকুত সংগ্ৰামৰ শুভাৰম্ভ
সাব্যস্ত হ'ল
জীৱশ্ৰেষ্ঠৰ অধিকাৰ
পৃথিৱী মানুহৰ সৰগতকৈও অধিক হ'ল,
বিচাৰৰ পাক চক্ৰৰে অৱশেষত
পৃথিৱীখন মানুহৰেই হ'ল,

মান-অভিমান, জৰা- ব্যাধি, প্ৰেম-অপ্ৰেম
এটি মূদ্ৰাৰ দুপিঠি হৈ অনিবাৰ্য হ'ল,
জয়-পৰাজয়, আশা-হতাশা, যুদ্ধ-শান্তি
অপৰিহাৰ্য অঙ্গ হোৱা
এই বিনন্দীয়া পৃথিৱীখন মানুহৰেই হ'ল।

অমাৱস্যাৰ ঘোৰ আন্ধাৰ ফালি
অৰুণৰ কিৰণে ভূমুকি মৰাৰ দৰে
আন্ধাৰ পোহৰৰ সংমিশ্ৰণত জীৱন।

অভিশপ্ত দিনবোৰৰ দীঘল উশাহ,
জুইৰ লেলিহান শিখা, বাৰুদৰ ধোঁৱা
ভয়াৰ্ত্ত স্ব-জনৰ কলিজাৰ ধপ্ ধপনি
কাম্য নহওঁক কাহানিও।

মানুহ অগ্ৰসৰ হওঁক
সংযমৰ ডোলেৰে বৰ্তমানক বান্ধি
যিহেতু বিচাৰৰ শেষত
পৃথিৱীখন মানুহৰেই হ'ল।



# Peasant Movements In Assam In The Late 19th Century

Sahabuddin Ahmed
Sr. Lect. Deptt. of History

There was no any peasant movement in the North-East India except in Assam. Therefore, the peasant movement in the entire North-East was especially confined to the peasant movement in Assam in the late 19th century during the time of the British rule.

**Causes :** There were many causes for the peasant movement in Assam. Here we are going to discuss a few important causes of the peasant uprising. Basically Assam was an agriculturist country during the administration of the Ahom and later on during the time of the British. One of the fundamental factors of the peasant movements in Assam in the late 19$^{th}$ century was oppressive burdens of land revenue and the defective nature of its collection by the British Govt. Though the British Company Government took the charge of administration of Assam by treaty of Yandaboo in 1822, yet they did not introduce any new revenue measures till 1833. They followed the existing the system of revenue collection. The British Company Govt created four districts in lower Assam in the 1833 and then for the first time they introduced land tax or land revenue which was to be paid by cash. This land revenue system continued to upto 1857. After the revolt of 1857 the administration of Indian colonies went directly into the hanus of the British Parliament. To meet the compensation, the Govt. had introduced taxes like 'stamp duty', timber tax, taxes on grazing field, catching of wild elephants, fishing taxes on ponds and rivers, washing of gold, house tax, capitation tax and hoe tax in hilly areas of Assam.

Even the British Govt felt seriously to collect tax on *Pan* (brittle leaf) cultivation in Assam. *Pan* widely cultivated in Assam during the time of the British rule in Assam. These taxes had badly affected the interests of the villagers of Assam. The peasants had submitted memorandum to reduce the above-mentioned taxes. But the British Govt did not pay any attention for reducing the taxes and thus the peasants of Assam had to form the *'Raizmels'* to raise protest against the high taxes introduced by the Govt.

The British Govt. started opium cultivation in India specially in Ghazipur, Patna etc. As a result opium, Ganza and other types of drugs began to be imported to Assam. According to Mill's 'Reoprt on the Province of Assam, opium became a commodity of daily consumption and a large number of people of Assam were addicted to this vice. The elite Assamese like Hem Chandra Baruah, Ananda Ram Dhekialphukan vehemently protested against the opium trade. Hem Chandra Baruah compiled an Assamnese satire which is called *Kaniar Kirtan* against the opium trade.

It was Purnanda Burhagohain, the last premier of Ahom dynasty who stopped the indigenous opium cultivation in Assam. In the year 1860 the British Govt. stopped opium cultivation in Assam and started to import Govt. opium. This opium trade created a popular anti-British senti-

ments by the people of Assam.

*Raizmels* (1860-1900): The Assamese peasants formed the *Raizmels* (village assemblies) to protest against the increasing land revenue and other taxes introduced by the British Govt. These *Raizmels* also played an important role for the outbreak of the peasants in Assam. The *Doloies*, the *Goshaies*, the village headmen were the pioneers of the *Raizmels*. The meetings of the *Raizmels* were held at the premises of *Namghars*, temples, mosques and in other public institutions. In course of time the *Raizmels* became 'Time Honoured Institutions' and recognized bodies of the Assamese society. The *Raizmels* not only raised their voices against the increasing taxes but also discussed all sorts of problem faced the peasants under the British Rule. Thus within a very short period of time the *Raizmels* played an important role to create popular sentiments of the people of Assam against the British Govt. The British Govt tried their best to crush the plan and programme initiated by the *Raizmels*, but failed. Under the leadership of the *Raizmels* some anti-British popular peasant uprising took place in various parts of Assam. These uprising are popularly known in Assam History as *'Peasants Uprising in Assam'*.

**Phulaguri Uprising (1861) :** When the British Govt. stopped the opium cultivation in Assam in 1860, the opium cultivators of greater Phulaguri area near Nawgaon town comprising the *Lalung* and *Kachari* peasants raised their hands against the British administration. A large number of peasants under the *Raizmels* protested against the opium trade and increased rate of land taxes on 18th of October, 1861. Then the Deputy Commissioner of Nowgaon Districts Mr. Singer with huge soldiers went there to crush the peasant movement. But the angry peasants killed Mr. Singer and thrown his dead body in the *Kalang* river. This uprising is popularly known in Assam History as *Phulaguri Uprising*.

**Peasant Revoluation in Rangia and Lachima (1893)**:- Another peasant movement took place against the British Govt. reduced 37% of increased land taxes. But the peasant raised their voices against the increased rate of land revenue. The D.C. of Kamrup, R.B. Maceabe visited the area and arrested a few peasants at Rangia.

The popular peasant movements started at Lachima on 21th January, 1893. The British Govt. arrested more than 75 peasants. One *Mandal* was killed by the peasants. Though, the British Govt. crush the revolt of Lachima yet. The peasants of Bazali, Nalbari raised their hands against the atrocities committed by the British.

**Patharughat Upraising (1894) :** Another important peasant upraising had broken out at Patharughat in Darrang District. The people revolted against the increasing rate of land revenue by the British Govt. Because at that time 'Black fever Epidemic' took serious shape in the Patharughat area during (1891-1901). The economic conditions of the peasants in that area were measurable due to epidemic. On the other hand the Govt. raised the land revenue from 53% to 70%. The *Raizmels* holds meetings and filled applications to reduce land revenues in that area.

But the Govt. decided to take help from the police force to crush the *Raizmels* at Patharughat. The then Deputy Commissioner of Darrang, J. D. Anderson, Police Superintendent J.R. Berington visited the area and ordered the peasants to pay land revenue as fixed by the Govt. The angry peasant raised their voices against the Govt decisions. Ultimately, the police opened fired on the revolting move 15 persons killed and 37 peasants were injured in the move. But non-officially it was 140 peasants were killed by the police and more than 150 peasants were badly injured.

During this particular period we find some anti-British uprising in the Tribal areas of the North-East India. Among them we must mention the tribal uprising in Manipur, Naga hills, Jayantia hills and some other parts of the hilly areas in the North-East India. But no doubt those were really anti-British uprisings but not peasant uprising in nature.